# শোণিতপুৰ

## ঐতিহ্য-সমাজ-সংস্কৃতি



সম্পাদনা

ড° ৰঞ্জন কলিতা

অসম কলেজ শিক্ষক সংস্থা

শোণিতপুৰ • সম্পাদনা ড° ৰঞ্জন কলিতা



Price: ₹ 300/-
ISBN:978-93-87494-03-9

*Sonitpur (Aitijya-Samaj-Sanskriti):* A publication of essays, illuminating the Geographical, Historical, Cultural and Socio-Economic aspects of undivided Sonitpur district, edited by Dr. Ranjan Kalita & published by Sri Tulshi Das, General Secretary, Assam College Teachers' Association, ACTA House, Solapar, Guwahati, 781008, Assam in association with Bhabani Books, Guwahati.

**First Publication**: January, 2018

**ISBN: 978-93-87494-03-9**

© **ACTA** (All rights are reserved. No parts of this publication may be reproduced, stored in a retrieval system or transmitted, in any form or by any means, electronic, photocopying, recording or otherwise, without the prior permission of the publisher. The views expressed in the book are those of the authors and not necessarily that of the organisation. The publisher is not responsible for the views of the authors and authenticity of the data in any way whatsoever.

**Cover Design:** Dr. Ranjan Kalita

**DTP**: S. M. Offset, Kacharigaon, Tezpur

**Denomination**: Rs. 300/-

**Printed at:** Bhabani Offset and Imaging Systems Pvt. Ltd.
7 Lachit Lane, Rajgarh Road, Guwahati-781007

# বিষয়-সূচী


- শিলালিপি, তাম্ৰলিপিৰ আলোকত শোণিতপুৰ / ১
  ড° সতীশ চন্দ্ৰ ভট্টাচাৰ্য্য
- মহাকাব্য আৰু পুৰাণ শাস্ত্ৰত প্ৰাচীন শোণিতপুৰ / ১০
  উপেন্দ্ৰনাথ শৰ্মা
- শোণিতপুৰ জিলাত উচ্চ শিক্ষাৰ ইতিহাস আৰু অসম কলেজ সংস্থা/ ১৭
  ৰবীন্দ্ৰনাথ শৰ্মা
- শোণিতপুৰ-বিশ্বনাথ ঃ অতীত আৰু বৰ্তমান/ ২৮
  ড° ৰঞ্জন কলিতা
- '৪২ৰ ভাৰত ত্যাগ আন্দোলনত শোণিতপুৰ / ৩৫
  ডিমচাঁদ বৰদলৈ
- শোণিতপুৰৰ পুৰাতাত্ত্বিক সম্পদ / ৪২
  নৰেন শৰ্মা
- শোণিতপুৰ জিলাৰ পুৰণি দুৱাৰসমূহ / ৫৫
  ড° মাধব বৰা
- অবিভক্ত শোণিতপুৰ জিলা ঃ এক অৱলোকন / ৬৪
  ড° প্ৰকাশজ্যোতি শইকীয়া
- শোণিতপুৰৰ সৈতে ডফলা-ভূটিয়াৰ সম্পৰ্ক / ৬৭
  ড° ভাৰত চন্দ্ৰ বৰুৱা
- অসমীয়া সাহিত্যলৈ শোণিতপুৰৰ অৱদান / ৭১
  দীপ্তি বৰা
- অসমীয়া কাব্যসাহিত্যলৈ শোণিতপুৰৰ অৱদান / ৮৩
  নৰহৰি চুতীয়া
- কেইগৰাকীমান শোণিতপুৰীয়া ঔপন্যাসিক / ৮৮
  বৰ্ণালী শইকীয়া
- অসমীয়া শিশু সাহিত্য আৰু শোণিতপুৰ / ৯৩
  দিলীপ কুমাৰ বৰুৱা
- শোণিতপুৰৰ ভাষা / ১০১
  ড° দুলাল চন্দ্ৰ দাস
- সাংবাদিকতাৰ ৰ'দ কাঁচলিত শোণিতপুৰ / ১১১
  ড° প্ৰাণজিৎ হাজৰিকা
- শোণিতপুৰৰ মহিলা সংগঠনৰ ইতিহাস / ১১৭
  ড° চাৰু চহৰীয়া নাথ
- প্ৰতিমাৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালা / ১২৯
  ড° গহন চন্দ্ৰ মহন্ত
- শোণিতপুৰীয়া ত্ৰিমূৰ্ত্তি / ১৩৪
  ড° সুৰেশ কুমাৰ আৰ্য্য
- শোণিতকোঁৱৰ গজেন বৰুৱা/ ১৪৭
  প্ৰেম নাৰায়ণ গোস্বামী
- শিলে কথা কোৱা চহৰ তেজপুৰ / ১৫২
  মাধব চন্দ্ৰ দাস
- তেজপুৰ চহৰৰ প্ৰাচীন সাংস্কৃতিক সমল / ১৫৮
  ড° ধৰ্মেন্দ্ৰ কুমাৰ শৰ্মা
- শ্বহীদতীৰ্থ ঢেকিয়াজুলি / ১৬২
  ড° হৰি প্ৰসাদ বৰুৱা
- ইতিহাসে গৰকা বিশ্বনাথ / ১৬৯
  লীনা হাজৰিকা
- শোণিতপুৰৰ গ্ৰাম্য পুথিভঁৰাল / ১৭৬
  মিতালী গোস্বামী
- শোণিতপুৰৰ চাহ বাগিচাৰ জীৱনৰ পটভূমি / ১৮০
  ড° শুকদেৱ অধিকাৰী
- শোণিতপুৰৰ মিচিংসকলৰ আৰ্থ সামাজিক অৱস্থা / ১৯৪
  ড° ৰঞ্জীত কামান
- শোণিতপুৰ জিলাৰ কাৰ্বি জনগোষ্ঠী / ২০৯
  ৰহিত চন্দ্ৰ মালাকৰ

# শ্বহীদতীৰ্থ ঢেকিয়াজুলি

ড° হৰি প্ৰসাদ বৰুৱা

মৰিম কিম্বা যুঁজিম
ভাৰত মাতাৰ আমি স্বৰাজ আনিম
এঘাৰ গৰাকী ছহিদৰ
ৰক্তজবা বুকুৰ তেজৰ
পলকতে জননীয়ে কৰিলে গ্ৰহণ
ঢেকিয়াজুলিতে এই সেই ৰণাঙ্গণ।

*- মুক্তিতীৰ্থ, অধ্যাপক অতুল চন্দ্ৰ হাজৰিকা।*

১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে মৌলানা আবুল কালাম আজাদৰ সভাপতিত্বত বোম্বাইৰ গোৱালিয়ৰত অনুষ্ঠিত কংগ্ৰেছ মহাসভাই ইংৰাজক 'ভাৰত-ত্যাগ'ৰ প্ৰস্তাৱ দিছিল। এই প্ৰস্তাৱ গ্ৰহণৰ পাছতে মহাত্মা গান্ধী প্ৰমুখ্যে কংগ্ৰেছৰ শীৰ্ষ নেতাক গ্ৰেপ্তাৰ কৰা হৈছিল। লগে লগে ভাৰতজুৰি আৰম্ভ হৈছিল এক যুগান্তকাৰী আন্দোলনৰ। গান্ধীজীৰ আহ্বান মৰ্মে জনতাই নিজে নেতৃত্ব বহন কৰা এই আন্দোলনে গণ বিপ্লৱৰ ৰূপ লৈছিল। ৪২ৰ এই ভাৰত ত্যাগ আন্দোলনৰ অংশ হিচাপে সমগ্ৰ ভাৰতবৰ্ষতে বিভিন্ন কাৰ্যসূচী ৰূপায়িত কৰা হৈছিল। অসমত এই আন্দোলনে সুকীয়া ৰূপ লয়। বিশেষকৈ তেজপুৰত এক যুগান্তকাৰী কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল। সেই মৰ্মে, ব্ৰিটিছ চৰকাৰৰ ক্ষমতাৰ প্ৰতীক পুলিচ থানা আৰু সদৰ আদালতত জাতীয় পতাকা উত্তোলন কৰি দেশৰ জনগণৰ কৰ্তৃত্ব প্ৰতিষ্ঠা কৰিবলৈ বিচৰা হৈছিল। আঁচনি মতে ২০ ছেপ্টেম্বৰ তাৰিখে মহকুমাৰ থানাকেইখনত আৰু ২১ ছেপ্টেম্বৰ তাৰিখে তেজপুৰ আদালতত জাতীয় পতাকা উত্তোলন কৰা হ'ব। উদ্দেশ্যক চূড়ান্ত ৰূপ দিবলৈ মুক্তিকামী জনতা সংগঠিত হ'ল। পুষ্পলতা দাসৰ নেতৃত্বত ঠায়ে ঠায়ে ৰাজহুৱা সভা বহিল। গহপুৰ, চতিয়া,